দেশ

ইন্দিৰা গান্ধীৰ জন্মদিনত শ্ৰদ্ধাঞ্জলি প্ৰধানমন্ত্ৰী মোদীৰ; স্মৰণ ৰাহুল, প্ৰিয়ংকা আৰু খৰ্গেৰো

ইন্দিৰা গান্ধীৰ জন্মজয়ন্তী উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীসহ কংগ্ৰেছৰ জ্যেষ্ঠ নেতাসকলে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীক স্মৰণ কৰে।

প্ৰকাশ: ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:১১



Prime Minister Narendra Modi paid tribute to former prime minister Indira Gandhi on her birth anniversary. (SOCIAL MEDIA)

নতুন দিল্লী, ১৯ নৱেম্বৰ: প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ জন্মজয়ন্তী উপলক্ষে বৃহস্পতিবাৰে তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে।

সামাজিক মাধ্যম এক্সত দিয়া এক বাৰ্তাত মোদীয়ে দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ অৱদান স্মৰণ কৰি জন্মদিনত শ্ৰদ্ধা নিবেদন কৰে।

ইফালে, কংগ্ৰেছৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই ইন্দিৰা গান্ধীক স্মৰণ কৰে। লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে আইতাক ইন্দিৰা গান্ধীৰ সৈতে জড়িত এক স্মৃতিৰ কথা উল্লেখ কৰি সামাজিক মাধ্যমত আৱেগিক বাৰ্তা প্ৰকাশ কৰে। তেওঁ ইন্দিৰা গান্ধীক সাহসী, দৃঢ়মনা আৰু মৰমেৰে ভৰা ব্যক্তি হিচাপে স্মৰণ কৰে। পৰিয়ালৰ মহিলাসকলৰ মাজত তেওঁৰ শক্তি আৰু প্ৰেৰণাৰ প্ৰতিফলন দেখা যায় বুলিও ৰাহুল গান্ধীয়ে উল্লেখ কৰে।

কংগ্রেছ সাংসদ প্রিয়ংকা গান্ধী ভাদ্রাই ইন্দিৰা গান্ধীক ‘টাইগ্রেছ’ আখ্যা দি তেওঁৰ দৰে নেতা আৰু নাহিব বুলি মন্তব্য কৰে। কংগ্রেছ সভাপতি মল্লিকার্জুন খর্গে, ছোনিয়া গান্ধীসহ দলটোৰ আন জ্যেষ্ঠ নেতাসকলে নতুন দিল্লীৰ সংবিধান সদনৰ কেন্দ্রীয় হলত ইন্দিৰা গান্ধীৰ প্রতিচ্ছবিত পুষ্পাঞ্জলি অর্পণ কৰে।

কর্ণাটকৰ মুখ্যমন্ত্রী ডি কে শিৱকুমাৰেও প্রাক্তন প্রধানমন্ত্রীগৰাকীক ‘আইৰণ লেডী’ বুলি অভিহিত কৰি তেওঁৰ অৱদান স্মৰণ কৰে। কৃষি, বেংকিং, মহাকাশ আৰু পাৰমাণৱিক কার্যসূচীৰ ক্ষেত্রত ইন্দিৰা গান্ধীৰ কার্যকালত গ্রহণ কৰা বিভিন্ন পদক্ষেপৰ কথাও তেওঁ উল্লেখ কৰে।

১৯১৭ চনৰ ১৯ নৱেম্বৰত উত্তৰ প্রদেশৰ এলাহাবাদত জন্মগ্রহণ কৰা ইন্দিৰা গান্ধী ভাৰতৰ প্রথমগৰাকী মহিলা প্রধানমন্ত্রী আছিল। ১৯৬৬ চনৰ পৰা ১৯৭৭ চনলৈ প্রথমবাৰৰ বাবে প্রধানমন্ত্রীৰ দায়িত্ব পালন কৰাৰ পাছত ১৯৮০ চনত তেওঁ পুনৰ ক্ষমতালৈ উভতি আহিছিল। ১৯৮৪ চনত হত্যাৰ বলি হোৱালৈকে তেওঁ প্রধানমন্ত্রীৰ পদত অধিষ্ঠিত আছিল। তেওঁৰ মৃত্যুৰ পাছত পুত্র ৰাজীৱ গান্ধীয়ে প্রধানমন্ত্রীৰ দায়িত্ব গ্রহণ কৰিছিল।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4403/india-gandhee-jnmjzntee-sddhanjli